**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-02-2026 **Time :** 0755 Hrs.

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে কালি অসমলৈ অহা বিজেপিৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত ভাগ লয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে দলৰ শীৰ্ষ নেতাসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে। ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, ধেমাজিকে ধৰি উজনি অসমৰ আটাইকেইখন জিলাৰ বিধায়কসকলৰ লগতে নিগম নিকায় আৰু দলীয় কৰ্মকৰ্তাসকলে এই সন্মিলনত অংশ লয়।

০০০০০০০

অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু সেইবাবেই ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন কৰা  হোৱা নাই বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পাছত কালি গুৱাহাটীত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই কথা প্ৰকাশ কৰে।

বাইট

ৰঙালী বিহুৰ কথা বিবেচনা কৰি ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত শ্ৰী কুমাৰে প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পাছত আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আয়োগে যথোপযুক্ত সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। তেওঁ কয় যে অধিকাংশ ৰাজনৈতিক দলে এটা অথবা সৰ্বাধিক দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছে। ৰাজনৈতিক দলসমূহে লগতে ব'হাগ বিহুৰ পূৰ্বে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীকুমাৰে কয়, যে ৰাজ্যত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যত ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰে ২৭ হাজাৰ ৭১১ টা গ্ৰামাঞ্চলৰ আৰু ৩ হাজাৰ ৭৭৫ টা নগৰ অঞ্চলৰ। আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে ৩ হাজাৰ ৭১৬ টা কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। কোনো ভোটগ্ৰহণ কেন্দ্ৰত এহাজাৰ দুশতকৈ অধিক ভোটদাতা নাথাকিব বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীকুমাৰে কয়, যে এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা  গ্ৰহণ কৰা হৈছে। সেই অনুসৰি ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন

লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। ই ভি এমত প্ৰাৰ্থীসকলৰ ৰঙীন ফটোৰ লগতে নামসমূহ ডাঙৰকৈ লিখা থাকিব।

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে ইতিমধ্যে ৩ দিনীয়া ভ্ৰমণসূচী সামৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলেও অংশগ্ৰহণ কৰিব। আনহাতে এই আঁচনিৰ অধীনত কাইলৈ কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালিৰেপৰা ৪ দিনীয়া কাৰ্যসূচীৰে **ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তৰ্জাতিক সাহিত্য উৎসৱ** অনুষ্ঠিত হৈছে। দেশ-বিদেশৰ ডেৰশ জনৰো অধিক বিশিষ্ট লেখক, কবি, গৱেষক, সাংবাদিক, চলচ্চিত্ৰ নিৰ্মাতা আৰু বুদ্ধিজীৱীয়ে এই সাহিত্য উৎসৱত অংশ লৈছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য, অধ্যাপক জীতেন হাজৰিকাই আদৰণি ভাষণ দিয়া সাহিত্য উৎসৱত কালি পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছি উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**